# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত সপ্তদশ ৰাষ্ট্ৰীয় নিয়োগ মেলাত অংশ গ্ৰহণ কৰি বিভিন্ন চৰকাৰী বিভাগত ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰে।

২। সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এ আৰু গ্ৰেণ্ড এলায়েন্সে দলীয় প্ৰাৰ্থীসকলৰ সমৰ্থনত একাধিক সভাত ভাগ লৈছে।

৩। **সবকী যোজনা-সবকী বিকাশ** বিষয়ত আধাৰিত লোকসেৱা জাগৰণৰ ২ মিনিটৰ ছুটি ছবিখন আজিৰে পৰা ৬ নৱেম্বৰলৈ দেশৰ সকলো ছবিগৃহত প্ৰদৰ্শন কৰা হ'ব।

৪। অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলত আজি এখন ব্যক্তিগত যাত্ৰীবাহী বাছত জুই লগাৰ ফলত বাছখন সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে কেইবাগৰাকী যাত্ৰী থিতাতে নিহত হয়। ***আৰু***

৫। বাহৰেইনত অনুষ্ঠিত এছিয়ান যুথ গেমছ ২০২৫ প্ৰতিযোগিতাত ভাৰতে ১৮ অনুৰ্ধ ল'ৰা আৰু ছোৱালীৰ দলে স্বৰ্ণ পদক লাভ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত সপ্তদশ ৰাষ্ট্ৰীয় নিয়োগ মেলাত অংশ গ্ৰহণ কৰি চৰকাৰৰ বিভিন্ন বিভাগত দেশৰ ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এটা ভিডিঅ' বাৰ্তাযোগে কয়, যে নিয়োগ মেলা হৈছে দেশৰ যুৱ প্ৰজন্মৰ সপোন পূৰণ কৰাৰ এটা মাধ্যম। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে এইবাৰৰ মেলাৰ সৈতে চৰকাৰৰ বিভিন্ন বিভাগত এঘাৰ লাখতকৈও অধিক যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান কৰা হৈছে। দেশত ৩ কোটি ৫ লাখ কৰ্মসংস্থাপন সৃষ্টিৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে বিকশিত ভাৰত যোজনাও মুকলি কৰিছে।

উল্লেখযোগ্য যে আজিৰ এই নিযুক্তিপত্ৰ বিতৰণ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিং আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামতা উপস্থিত থাকে। তামিলনাডুত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড° এল মুৰুগাণে প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰে। একেদৰে আয়ুষ আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱে মাদুৰাইত আৰু বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীয়ে তিৰুচিৰাপল্লিত প্ৰাৰ্থীসকলৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে।

ৰোজগাৰ মেলা হৈছে নিয়োগ সৃষ্টিক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিশ্ৰুতিবদ্ধতা পূৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। এই ব্যৱস্থাই যুৱক-যুৱতীসকলৰ সৱলীকৰণ তথা ৰাষ্ট্ৰ

নিৰ্মাণত অংশগ্ৰহণৰ বাবে তেওঁলোকক অৰ্থপূৰ্ণ সুযোগ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এ আৰু মিত্ৰজোটে দলীয় প্ৰাৰ্থীসকলৰ সমৰ্থনত একাধিক সভাত ভাগ লৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এ প্ৰাৰ্থীৰ বাবে সমষ্টিপুৰত এখন নিৰ্বাচনী সমাবেশেৰে আগন্তুক বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোটৰ প্ৰচাৰ আৰম্ভ কৰিছে। দুধপুৰা হেলিপেড খেলপথাৰৰ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে জননায়ক কৰ্পুৰী ঠাকুৰ দেশৰ এগৰাকী অমূল্য ৰত্ন আছিল, যিয়ে স্বাধীন ভাৰতত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ পিছপৰা আৰু প্ৰান্তীয় সম্প্ৰদায়ৰ উন্নতিৰ বাবে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰা প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ সন্মানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই সমাবেশত মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কেন্দ্ৰীয় মন্ত্ৰী জিতন ৰাম মাঝিও ভাষণ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াৰ পাছত বিহাৰৰ বেগুচৰাইত দ্বিতীয়খন সমাবেশত ভাষণ দিয়াৰ কথা আছে। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি শিৱান আৰু বাক্সাৰ জিলাত নিৰ্বাচনী সভাত ভাষণ দিয়ে। গোপালগঞ্জত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে এখন ৰাজহুৱা সভাত ভাষণ দিব।

ইপিনে, গ্ৰেণ্ড এলায়েন্সৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তথা আৰ জে দিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে পাটনাত সাংবাদিকৰ আগত কয় যে ঠিকাভিত্তিক কৰ্মচাৰীসকলক স্থায়ী পদত মকৰল কৰা হ্ব আৰু ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব।

০০০০

লোকসেৱা সজাগতা অভিযান-**সবকী যোজনা-সবকী বিকাশ** বিষয়ত আধাৰিত লোকসেৱা জাগৰণৰ ২ মিনিটৰ ছুটি ছবিখন আজিৰে পৰা ৬ নৱেম্বৰলৈ দেশৰ সকলো ছবিগৃহত প্ৰদৰ্শন কৰা হব। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে এক বিবৃতিযোগে জনাই যে ইয়াৰ বিষয়বস্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসাধাৰণৰ অংশগ্ৰহণ আৰু চৰকাৰী আঁচনিৰ সফল ৰূপায়ণৰ দৃষ্টিভংগীৰ সৈতে সাদৃশ্য আছে। এই অভিযানৰ লক্ষ্য হৈছে ২০২৬ - ২৭ বৰ্ষৰ বাবে পঞ্চায়ত বিকাশ পৰিকল্পনা জনসাধাৰণৰ অংশগ্ৰহণ তথা জনসজাগতা বৃদ্ধি কৰা। তৃণমূল পৰ্যায়তেই বিকাশৰ পথ প্ৰশস্ত কৰাত দেশৰ প্ৰতিজন নাগৰিকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আচৰণবিধি বলবৎ থকা ৰাজ্যসমূহৰ বাহিৰে এই ছবিখন বৰ্তমান সকলো ছবিগৃহতে মূল ছবিখন আৰম্ভ হোৱাৰ আগতে আৰু ব্যৱধানৰ সময়ছোৱাৰ শেষৰ ৫ মিনিটৰ ভিতৰত প্ৰদৰ্শন কৰা হ'ব। ২ অক্টোবৰত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত জন পৰিকল্পনা অভিযান ২০২৫-২৬ আৰম্ভ কৰা হয়। এই অভিযানে দেশৰ পঞ্চায়তসমূহক ৰাষ্ট্ৰীয় লক্ষ্যৰ সৈতে সংগতি ৰাখি স্থানীয় অগ্ৰাধিকাৰসমূহ প্ৰতিফলিত কৰা প্ৰমানভিত্তিক আৰু সৰ্বাঙ্গীন পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিবলৈ সমৰ্থ হ'ব।

০০০০

অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলত আজি পুৱাৰ ভাগত এখন ব্যক্তিগত যাত্ৰীবাহী বাছত জুই লগাৰ ফলত বাছখন সম্পূৰ্ণৰূপে ভষ্মীভূত হোৱাৰ লগতে কেইবাগৰাকী যাত্ৰী থিতাতে নিহত হয়। দুৰ্ঘটনাৰ সময়ত বাছখনে কেইবাগৰাকীও যাত্ৰী কঢ়িয়াই হায়দৰাবাদৰ পৰা বেংগালুৰু অভিমুখে গৈ আছিল। প্ৰায় ৪০ গৰাকী যাত্ৰী থকা

বাছখনৰ পৰা ১৫ গৰাকী লোকক উদ্ধাৰ কৰি হস্পিতালত ভৰ্তি কৰোৱা হয়। এই ঘটনাত তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱনাথ ৰেড্ডীয়ে  আশ্বৰ্য্য প্ৰকাশ কৰাৰ লগতে নিহত যাত্ৰীসকলৰ প্ৰতি শোক প্ৰকাশ কৰে। তেওঁ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক  তাৎক্ষনিকভাৱে ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিয়ে। সাহায্য আৰু উদ্ধাৰ অভিযান চলোৱাৰ অৰ্থে তেওঁ বিষয়াসকলক অন্ধ্ৰপ্ৰদেশ কৰ্তৃপক্ষ আৰু জনসাধাৰণৰ সৈতে আলোচনা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাৰ বাবে দুখ প্ৰকাশ কৰাৰ লগতে মৃত্যু হোৱাৰ লোকসকলৰ বাবে শোক প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালসমূহৰ প্ৰতি সমবেদনা প্ৰকাশ কৰে।  প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে ক্ষতিপূৰণ দিয়াৰ ঘোষণা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয় কয়, যে এই ঘটনাত নিহত লোকসকলৰ বাবে  চৰকাৰে দুই লাখ টকাৰ পুঁজি চৰকাৰৰ ফালৰ পৰা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি ভাৰত-তিববত সীমান্ত আৰক্ষীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সাহসী আৰক্ষীসকলক শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণে কয় যে ভাৰত-তিববত সীমান্ত  সুৰক্ষা আৰক্ষীৰ জোৱানসকলে হিমালয়ৰ প্ৰান্তীয় অঞ্চলত দেশৰ প্ৰতিৰক্ষাৰ বাবে প্ৰথমশাৰীত থিয় হৈ সেৱা আগবঢ়ায়। উপৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে ভাৰত-তিববত সীমান্ত আৰক্ষীয়ে জন্ম লগ্নৰে পৰা নিজৰ সাহস, শৃংখলাবদ্ধতা আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে দেশৰ সীমান্ত আৰু জনসাধাৰণক নিৰাপত্তা দি আহিছে। তেওঁ কয় যে এই আৰক্ষীসকলৰ অক্লান্ত পৰিশ্ৰম, মানৱতাৰ সেৱা আৰু তেওঁলোকৰ উচৰ্গাৰ মনোভাৱেৰে দেশক নিৰাপত্তা আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। ভাৰত-তিববত সীমান্ত আৰক্ষী বাহিনীৰ উৎকৃষ্ট সেৱা আৰু ত্যাগৰ মনোভাৱে দেশক আগুৱাই নিয়াৰ লগতে নিৰাপত্তা দিয়াটো সমৰ্থ হ'ব বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

হেঙেৰাবাৰী হাউচিং কলনি নিৱাসী জ্যেষ্ঠ সাংবাদিক তথা ইউ এন আইৰ প্ৰাক্তন ব্যুৰো ছীফ বৈকুণ্ঠনাথ গোস্বামীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮১ বছৰ। প্ৰয়াত গোস্বামী কেইবাখনো ইংৰাজী আৰু অসমীয়া দৈনিক বাতৰি কাকতৰ সৈতে জড়িত হৈ আছিল। তেওঁ অসমীয়া জাতীয়তাবাদ আৰু অসমীয়াৰ সংজ্ঞা, সংবাদ মাধ্যমৰ স্বাধীনতা আদিকে ধৰি কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। বৈকুণ্ঠনাথ গোস্বামীৰ মৃত্যুত অসমৰ সংবাদ জগতত শোকৰ ছাঁ পৰে।

০০০০

বাহৰেইনত অনুষ্ঠিত এছিয়ান য়ুথ গেমছ ২০২৫ প্ৰতিযোগিতাত ভাৰতে ১৮ অনুৰ্ধ ল'ৰাৰ আৰু ছোৱালীৰ দলত স্বৰ্ণ পদক লাভ কৰে। ছোৱালীৰ দলটোৱে ফাইনেলত ইৰাণক ৭৫ - ২১ পৰাস্ত কৰে। নেহা পেটেলে ২৮ পইণ্ট সংগ্ৰহ কৰে। একেদৰে ল'ৰাৰ দলটোৱে ফাইনেলত ইৰাণক ৩৫-৩২ ত পৰাস্ত কৰে। এই দুটা স্বৰ্ণ পদক বিজয়ৰে ভাৰতে পদক তালিকাৰ শীৰ্ষলৈ নিজক উন্নীত কৰিবলৈ সমৰ্থ হৈছে।

০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৩ ৰানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে প্ৰথমে বেট ধৰি অপেনাৰ প্ৰতীকা ৰাৱল আৰু স্মৃতি মান্ধানাৰ শতকৰ সহায়ত ৪৯ অভাৰত তিনিটা উইকেট হেৰুৱাই ৩৪০ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। বৰষুণৰ বাবে  খেলখন ৪৯ অভাৰতে সীমিত কৰা হয়। মান্ধানাই ১০৯ আৰু ৰাৱলে ১২২ ৰান কৰে। নিউজিলেণ্ডক ডাক ৱৰ্থ লুইচ পদ্ধতিৰে  ৪৪ অভাৰত ৩২৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হয়। নিউজিলেণ্ডে  নিৰ্ধাৰিত অভাৰত ৮ উইকেটৰ বিনিময়ত ২৭১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ব্ৰুক হেলিডে সৰ্বাধিক ৮১ ৰান কৰে।

০০০০

সমাপ্ত